**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ ৫টা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ বাবেও এই ৫টা সমষ্টিত মুঠ ৯ খন মেজত ভোটগণনা কৰা হ'ব। নিৰ্বাচন বিভাগৰ সূত্ৰই জনোৱা অনুসৰি কাইলৈ পুৱা প্ৰথমে ডাকযোগে অহা বেলট কাকতসমূহৰ গণনা কৰা হ'ব। তাৰ পাছত ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হ'ব। দুপৰীয়াৰ ভাগত ভোটগণনাৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে। বিভিন্ন জিলাৰ নিৰ্বাচনী বিষয়াসকলৰ উদ্ধৃতি দি আমাৰ জিলা সংবাদদাতাসকলে জনোৱা অনুসৰি ধলাইত ৰামনগৰৰ আন্তঃৰাজ্যিক ট্ৰাক টাৰ্মিনেলৰ কেন্দ্ৰত, চিদলীত কাজলগাঁৱৰ জিলা কেন্দ্ৰত, বঙাইগাঁৱত বঙাইগাঁও মহাবিদ্যালয়ত, বিহালী আৰু চামগুৰি সমষ্টিৰ ভোটগণনা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভোটগণনা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ভোটগণনাৰ ফলাফল প্ৰাৰ্থী আৰু সংবাদ মাধ্যমক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই সমষ্টিকেইটাত যোৱা ১৩ নৱেম্বৰত অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণত সামগ্ৰিকভাৱে প্ৰায় ৭৬ শতাংশ ভোটাদাতাই ভোটদান কৰিছিল।

কাইলৈ ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাও অনুষ্ঠিত হ'ব।

০০০০০০

যোৰহাট জিলা পুথিভঁৰালৰ পীতাম্বৰ দেৱগোস্বামী প্ৰেক্ষাগৃহত আজি জিলাখনৰ দিব্যাংগসকলক বিনামূলীয়া সামগ্ৰী বিতৰণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ বিশেষভাৱে সক্ষম ব্যক্তি সৱলীকৰণ বিভাগৰ তত্বাৱধানত কাম কৰা ৰাজহুৱা খণ্ডৰ উদ্যোগ আলিমক'ৰ পৃষ্ঠপোষকতাত ১০১জন দিব্যাংগক উন্নত মানৰ বেটাৰীচালিত ট্ৰাই চাইকেল, হুইল চেয়াৰ, কাণেৰে শুনা যন্ত্ৰ, ষ্টীলৰ পেং আদি বিতৰণ কৰা হয়। অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ভাস্কৰ বৰুৱা আৰু ৰূপজ্যোতি কুৰ্মীয়ে সামগ্ৰীসমূহ বিতৰণ কৰে।

যোৰহাট জিলাৰ সাতটা সংহত শিশু উন্নয়ন প্ৰকল্পত মুঠ এহেজাৰ ৩১৫ গৰাকী দিব্যাংগক প্ৰায় ৬৫ লাখ টকাৰ সামগ্ৰী বিনামূলীয়াকৈ বিতৰণৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি আকাশবাণীৰ যোৰহাটৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

চৰাইদেউ জিলাত অহা ২ ডিচেম্বৰৰ পৰা কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় কুষ্ঠ নিৰ্মূল কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ ১ লাখৰো অধিক লোকৰ ঘৰে ঘৰে এই অভিযান চলিব। স্বাস্থ্য বিভাগৰ বিশেষ দলে কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচী সুকলমে সম্পন্ন কৰাৰ বাবে চৰাইদেউৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সমাজ কল্যাণ, শিক্ষা,

পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ লগতে শ্ৰম বিভাগৰ বিষয়া উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে প্ৰতিটো বিভাগকে তেওঁলোকৰ ওপৰত ন্যস্ত দায়িত্ব আৰু কৰ্তব্য সুকলমে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জিলাখনত ৪৮৬টা দলে ঘৰে ঘৰে গৈ এই অভিযানত অংশগ্ৰহণ কৰিব। এই দলসমূহত এগৰাকী আশা কৰ্মী আৰু এজন পুৰুষ স্বেচ্ছাসেৱক থাকিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ সঞ্চালক ৰবিন চন্দ্ৰ বড়োক আজি আকাশবাণীৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে তেওঁ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৰূপে পদোন্নতি লাভ কৰাৰ বাবে আনুষ্ঠানিকভাৱে অভিনন্দন জনায়। শ্ৰী বড়োৱে দূৰদৰ্শনৰ উত্তৰ-পূব অতিৰিক্ত সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত অভিযান্ত্ৰিক শাখাৰ উপ-মহা নিৰ্দেশকৰ নতুন পদত যোগদান কৰিব। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খান, বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অনুষ্ঠান শাখাৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰ আৰু অন্যান্যসকলে শ্ৰী বড়োৰ বহুমুখী প্ৰতিভা আৰু উদ্ভাৱনী চিন্তা সকলোৰে বাবে আদৰ্শ হৈ থাকিব বুলি মন্তব্য কৰে। অভিনন্দন গ্ৰহণ কৰি শ্ৰী বড়োৱে তেওঁ সদায়ে আকাশবাণী পৰিয়ালৰ অংশ হৈ আছিল আৰু হৈ থাকিব বুলি মন্তব্য কৰে।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা বেগী বলাৰসকলৰ আক্ৰমণাত্মক বলিঙত ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলৰে বেটিং বিপৰ্যয় ঘটে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰি বিপৰ্যয়ৰ সন্মুখীন হয়।

প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ ৰেড্ডীয়ে সৰ্বাধিক ৪১ ৰান সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰান কৰে। হেজেলউদে ২৯ ৰান দি চাৰিটা আৰু মিচ্চেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি অষ্ট্ৰেলিয়াও বিপৰ্যয়ৰ সন্মুখীন হয় আৰু প্ৰথমদিনাৰ খেলৰ সামৰণিত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰাই ১৭ ৰানত ৪টা, মহম্মদ ছিৰাজে দুটা আৰু টেষ্ট ক্ৰিকেটত অভিষেক ঘটা হৰ্ষিত ৰানাই এটা উইকেট দখল কৰে। প্ৰথম দিনাৰ সামৰণিত প্ৰথম ইনিংছৰ তিনিটা উইকেট বাকী থকা অৱস্থাত অষ্ট্ৰেলিয়া ভাৰততকৈ ৮৩ ৰান পিছ পৰি আছে।

০০০০০

**সমাপ্ত**